**বৈদ্য ব্ৰাইট বুঢ়াগোহাঁইৰ কবিতা**

# সুষম চিত্ৰায়ণত ব্যক্তিগত অভিজ্ঞতা

**ড° কমল কুমাৰ তাঁতী**

আধুনিক অসমীয়া কবিতাই যোৱা শতিকাৰ সত্তৰ-আশী দশকৰ পৰা যি এক ৰাজনৈতিক ভাষাত নিজকে প্ৰকাশ কৰিবলৈ যত্ন কৰিছিল, এই শতিকাৰ পৰিবৰ্তিত ৰাজনৈতিক-সামাজিক-অৰ্থনৈতিক পৰিস্থিতিৰ জোৱাৰত সেয়া ভাতা পৰাৰ পিচত, সমকালীন অসমীয়া কবিতা বহু সময়ত হৈ উঠিছে শব্দ, ভাব আৰু ভাষাৰ খেলা আৰু আত্মাবিহীন নিৰ্মাণ মাত্ৰ— যাৰ মাজত অসমীয়া জাতিৰ আত্মা বিচাৰি পোৱাটো খুবেই কঠিন হৈ পৰিছে।

তেনে এক জটিল-নিৰাশাজনক পৰিস্থিতিত, নতুন কবিৰ দায়িত্ব আৰু লক্ষ্য কি হোৱা উচিত বুলি প্ৰশ্ন কৰিলে, নবীন কবি দোমোজাত পৰাটো তেনেই স্বাভাৱিক কথা। তদুপৰি নবীন কবিয়ে কিদৰে নিজৰ নতুন কাব্য-পথ নিৰ্মাণ কৰিব, সেই সম্পৰ্কেও সাম্প্ৰতিক অসমীয়া সাহিত্য জগতত (কেৱল কিছু বিক্ষিপ্ত আৰু ধাৰাবাহিকতাবিহীন আলোচনাৰ বাহিৰে) কোনোধৰণৰ নতুন আলোচনা-বিলোচনা নোহোৱাৰ বাবে, নবীন কবিসকল প্ৰায় সময়তে বিভ্ৰান্ত আৰু দিশহাৰা হৈ থাকে আৰু জনপ্ৰিয়তাৰ সহজলভ্য পথ এটা বাছি ল’বলৈ বৰ বেছি পলম নকৰে।

এই কথা সকলোৱেই স্বীকাৰ কৰিব যে আধুনিক অসমীয়া কবিতাই সমৃদ্ধি আৰু প্ৰসিদ্ধি লাভ কৰিছে অসমীয়া জনজীৱন আৰু লোক-জীৱনৰ পৰা আহূত কাব্যিকতা, গীতিময়তা আৰু সামাজিক দায়বদ্ধতাৰ জৰিয়তে। মোৰ বোধেৰে সেই ধাৰাবাহিকতা নতুন কবিসকলৰ কবিতাতো অব্যাহত আছে। স্থানান্তৰত মই ইতিমধ্যে লিখিছো যে সমসাময়িক অসমীয়া কবিতাৰ পৰ্বান্তৰ আৰু ভৱিষ্যৎ বহুলাংশে নিৰ্ভৰ কৰিছে অসমীয়া যুৱ কবিসকলৰ ওপৰত আৰু এওঁলোকেই প্ৰকৃততে অসমীয়া কবিতাৰ ভৱিষ্যৎ বুলি মই বিশ্বাস কৰো। কুৰিৰ ডেওনাত ভৰি দিয়া এইসকল কবিয়ে তেওঁলোকৰ সৃষ্টিৰ মাজেৰে ইতিমধ্যেই পাঠক-সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেনে এগৰাকী উল্লেখযোগ্য নবীন কবি হৈছে বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই। সাম্প্ৰতিক অসমীয়া কবিতাৰ এটা নতুন, অথচ পৰিণত, প্ৰতিশ্ৰুতিসম্পন্ন কণ্ঠ বৈদ্য ব্ৰাইট বুঢ়াগোহাঁয়ে নিজস্ব কাব্য-চৰ্চাৰ অনুপ্ৰেৰণা আৰু মূল আদৰ্শ লোকায়ত অসমীয়া জনজীৱনৰ পৰাই আহৰণ কৰিছে। আত্ম-আৱিষ্কাৰৰ নিৰন্তৰ-যন্ত্ৰণাদায়ক তাড়না, পৰিমিতি-বোধ আৰু মননশীলতাৰ জৰিয়তে গঢ়ি তোলা এক পৰিশীলিত, আত্ম-উৎসাহী কাব্য-চৰ্চাৰ মাজেৰে কবিয়ে সন্ধান কৰিব খুজিছে— আধুনিক গ্ৰাম্য জীৱন আৰু অত্যাধুনিক মানৱীয় জটিলতা আৰু ক্ষণভংগুৰ সমন্বয়হীনতাৰ।

তদুপৰি তেওঁৰ কাব্য-ভাষা আৰু কাব্য-বোধোদয়ে একে সময়তে স্থানীয় আৰু আন্তৰ্জাতিক ৰূপ লোৱাৰ কিছু সম্ভাৱনাও দেখা গৈছে— যিয়ে তেওঁৰ কবিতাক বহু দূৰলৈ লৈ যাব বুলি আমি আশা কৰিব পাৰো। তেনে এটা প্ৰেক্ষাপটতে বৈদ্য ব্ৰাইটৰ কবিতাগুচ্ছৰ পৰ্যালোচনা কৰিলে, তেওঁৰ কবিতাৰ কেইটামান চকুতলগা বৈশিষ্ট্য চকুত পৰে।

বৈদ্য ব্ৰাইটৰ কবিতাৰ মূল বিষয়বস্তু আধুনিক যুগৰ মানুহ আৰু জটিল, ক্ষণভংগুৰ মানৱীয় জীৱন হ’লেও কবিৰ ভাষা সততে ইংগিতধৰ্মী, অথচ সৰল আৰু ভাবঘন। কবিৰ শেহতীয়া কবিতাগুচ্ছৰ প্ৰথম পঠনত অনুভৱ হৈছিল যে কবিতাসমূহত একত্ৰ সমাহিত সুৰ এটা সজ্ঞানভাৱে অনুপস্থিত। সেয়ে অনেক সময়ত নিজৰ কাব্যপথত কবিয়ে পাকঘূৰণি খাই দিক্‌ভ্ৰান্ত হোৱাও দেখা গৈছে। তেনে হোৱা সত্ত্বেও বৰ্ণনাধৰ্মী আৰু (অস্পষ্টভাৱে) কাহিনীপ্ৰধান হোৱাৰ বাবে বৈদ্য ব্ৰাইটৰ কবিতাসমূহ হৈ উঠিছে ৰসঘন আৰু সুখপাঠ্য। সেয়ে কবিতাবোৰে নিজৰ বাট হেৰুওৱা নাই; বৰং কবিয়ে তেওঁৰ কবিতাৰ মাজেৰে সাম্প্ৰতিক সময়ৰ জটিলতাত আক্ৰান্ত আৰু বিভ্ৰান্ত মানৱীয় মননৰ এক উচিত মূল্যায়ন কৰিব পাৰিছে। কবিয়ে যেতিয়া ঘোষণা কৰে— ‘সৰাপাততকৈ সকৰুণ মাতৰ সেই ৰহস্য/ আমি বিচাৰি ফুৰা নাছিলো’, আমি প্ৰথমতে কিছু হতাশ হওঁ আৰু ভাবিবলৈ লওঁ যে এজন ডেকা কবিয়ে কিদৰে নিজৰ আত্মিক কান্দোনৰ উৎস বিচাৰি নোযোৱাকৈ থাকিব পাৰে আৰু পিচ মুহূৰ্ততে ‘মাত’ শীৰ্ষক কবিতাটোৰ পিচৰ শাৰীবোৰ পঢ়ি পুলকিত হওঁ— কিদৰে কবিয়ে বিচাৰি উলিয়াইছে অতীতৰ ব্যাখ্যাতীত দিন আৰু ৰাতিবোৰ, য’ত জলমলকৈ উৰি ফুৰিছে অলেখ মানুহৰ নীৰৱ-শীতল কথোপকথন আৰু অনাবিল স্মৃতিসমূহ।

> **এই কথা সকলোৱেই স্বীকাৰ কৰিব যে আধুনিক অসমীয়া কবিতাই সমৃদ্ধি আৰু প্ৰসিদ্ধি লাভ কৰিছে অসমীয়া জনজীৱন আৰু লোক-জীৱনৰ পৰা আহূত কাব্যিকতা, গীতিময়তা আৰু সামাজিক দায়বদ্ধতাৰ জৰিয়তে।**

বৈদ্য ব্ৰাইটৰ কবিতাৰ ভাষা সৰল আৰু গীতিময়। সেয়ে কবিৰ যিকোনো কবিতাই পাঠকক আকৃষ্ট কৰিব পাৰে। উদাহৰণ হিচাপে আমি ল’ব পাৰো কবিৰ ‘সিদ্ধাৰ্থ’ শীৰ্ষক কবিতাটো, য’ত কবিতাটো আৰম্ভ হৈছে এনেদৰে— ‘কিনো স্নিগ্ধ এই সন্ধ্যা-/ গছ-লতিকাৰে ভৰা অৰণ্য, চৰাইৰ কোৰ্হাল নিৰন্তৰ/ জ্বলি জ্বলি তিৰবিৰাই থকা এথুপি তৰাৰে এখনি আকাশ/ নিৰ্মেঘ/ কিনো স্নেহত বন্দী ভিক্ষু-/ হাড়লৈকে শিপোৱা এটি মাত/ মনলৈকে তিতোৱা এটি মাত/ আছেনে, আছেনে সেই মাতৰ ছায়া/ আছেনে, আছেনে সেই মাতৰ কায়া...’।

সামাজিক দায়বদ্ধতাৰ লগে লগে অৰ্থনৈতিক আৰু ৰাজনৈতিক সচেতনতাও বহু সময়ত বৈদ্য ব্ৰাইটৰ কবিতাত স্পষ্টভাৱে মূৰ্ত হোৱা দেখিবলৈ পোৱা গৈছে। তেনে এটা মৰ্মস্পৰ্শী অথচ পৰিপূৰ্ণভাৱে ৰাজনৈতিক কবিতা হৈছে— ‘মৰা মাছৰ চকুৰ দৰে’ শীৰ্ষক কবিতাটো, য’ত কবিয়ে অসমীয়াৰ আত্মপৰিচয় আৰু আত্মনিয়ন্ত্ৰণৰ জাতীয় সংগ্ৰামখনৰ সাম্প্ৰতিক দুৰৱস্থাৰ কথা স্পষ্টকৈ কৈছে এনেদৰে— ‘মৰা মাছৰ চকুৰ দৰে ঢেল খোৱা/ এজাক মানুহ/ হাতে হাতে লগাকৈ বন্ধা আছে/ তেওঁলোকৰ হাতবোৰ/ মাৰ যাব ধৰা বেলি...’।

বৈদ্য ব্ৰাইট বুঢ়াগোহাঁইৰ কবিতাগুচ্ছত সন্নিৱিষ্ট আন কেইবাটাও কবিতাই কবি হিচাপে তেওঁৰ কাব্য-নিপুণতা, নিৰ্মাণ-কুশলতা আৰু সামাজিক অভিজ্ঞতাৰ নিদৰ্শন দাঙি ধৰিছে। তেনে কেইটামান কবিতা হৈছে— ‘ফলৰ বাগিচাখনত’, ‘পৰিক্ৰমা’, ‘পাটিপাদ্য’, ‘খেতি-পাঠ’, ‘গান গোৱা মানুহজন’, ‘বৃদ্ধৰ আত্মকথা’ শীৰ্ষক কবিতালানি আদি। সমসাময়িক বহু অসমীয়া কবিৰ দৰেই তেওঁৰ কবিতা এতিয়াও মূলতঃ অজটিল, অনুভূতিপ্ৰৱণ আৰু মানৱীয় প্ৰমূল্যৰ সৈতে সম্পৃক্ত, অথচ ৰসহীন, গন্ধহীন। সেয়ে মোৰ ধাৰণা— বৈদ্য ব্ৰাইট বুঢ়াগোহাঁইৰ কবিতা বহু সময়ত সুখপাঠ্য আৰু অনন্য হ’লেও, পৃথক আৰু একক নহয়। মোৰ বোধেৰে কবিয়ে তেওঁৰ নিজা চিত্ৰ-বিচিত্ৰ সামাজিক আৰু ব্যক্তিগত অভিজ্ঞতাসমূহক সুষমভাৱে নিজৰ কবিতাৰ মেটাফৰ আৰু ইমেজবোৰৰ সৈতে সম্পৃক্ত কৰাৰ বাবে প্ৰচেষ্টা চলাব লাগিব আৰু তাৰ জৰিয়তে নিজস্ব স্বৰৰ কবিতা সৃষ্টি কৰাৰ বাবে তেওঁ আন্তৰিকতাৰে মন দিয়াটো উচিত হ’ব। তেতিয়াহে কবিৰ কাব্য-যাত্ৰাক আমি অধিক সফল বুলি কোৱাৰ সুযোগ পাম। কবিলৈ আমাৰ অলেখ শুভকামনা থাকিল।

*দূৰভাষ ঃ ৮৭৩০৮-০৪১০১*

যোৱা বছৰৰ পোন্ধৰ নৱেম্বৰত ছুইডেনৰ গুটেনবাৰ্গ গ্ৰন্থমেলাত ফেণ্টম কমিকছৰ ৮০ সংখ্যক বৰ্ষপূৰ্তি পালন কৰা হয়। তথ্যমতে এই গ্ৰন্থমেলাখনত দৰ্শনাৰ্থীৰ সংখ্যাই প্ৰতি বছৰে এক লাখৰ সংখ্যা অতিক্ৰম কৰে আৰু যোৱা বছৰো ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল।

**ফেণ্টম সচিত্ৰ কাহিনীমালা আৰু অন্যান্য (দুই)**

# প্ৰতিভাশালী স্ৰষ্টাৰ হাতত জনপ্ৰিয় হোৱা চৰিত্ৰ

**ৰূপৰাজ শৰ্মা**

দুবছৰ পূৰ্বে যাদুকৰ মেনড্ৰেকৰ চৰিত্ৰ সৃষ্টি (মেনড্ৰেক দ্য মেজিচিয়ান) কৰি সফলতা লাভ কৰা লি ফেক’ (প্ৰকৃত নামঃ লিয়ন হেৰিচন গ্ৰছ)ৰ কাষ চাপিল ‘কিংফিছাৰ্চ ছিণ্ডিকেট’ নামৰ প্ৰকাশক সংস্থা, উদ্দেশ্য এটি নতুন চৰিত্ৰৰ নতুন কাহিনী লাগে। পোনতে তেওঁলোকক আন কাহিনী দিয়াৰ কথা ভাবিছিল যদিও পাচলৈ তেওঁৰ মনলৈ ‘ফেণ্টম’ৰ কাহিনী অহাত লি ফেকে তাকে দিয়াৰ কথা ভাবিলে। একোটা গুপ্ত জীৱনৰ অধিকাৰী অতিমানৱৰ কাহিনীৰে উদ্বুদ্ধ হৈও স্ৰষ্টা লি ফকে পোনতে ফেণ্টমক এজন ডিটেক্টিভ হিচাপেহে গঢ়ি তুলিবলৈ বিচাৰিছিল যদিও পাচলৈ মত সলায়। তেওঁ পোনতে ভবা কাহিনীটো আছিল এজন ধনাঢ্য আৰু সম্ভ্ৰান্ত ‘জিমি ৱেলছ’ নামৰ ব্যক্তিক লৈ, যি নিশাৰ ভাগত মুখা পৰিধান কৰি অপৰাধীৰ বিৰুদ্ধে যুঁজ দিয়ে। কিন্তু এনে সময়তে তেওঁৰ মনলৈ আহে অতি গভীৰ বনাঞ্চলত বাস কৰা এজন ৰহস্যময় অভিযানকাৰীৰ চৰিত্ৰটো, পিচলৈ যিয়ে পূৰ্ণাংগ ফেণ্টমৰ ৰূপ পায়গৈ। কাহিনীটো তৈয়াৰ কৰি থকাৰ মাজতে তেওঁৰ মনলৈ এই ভাব অহাৰ পাচত এই কাহিনীটোকে বিভিন্ন ৰূপত আগবঢ়াই নিবলৈ তেওঁ বদ্ধপৰিকৰ হয়। এই সন্দৰ্ভত মত প্ৰকাশ কৰি লি ফেকে এঠাইত কৈছে— ‘হঠাতে মোৰ মনলৈ এই ভাব আহিছিল। মই ফেণ্টমৰ চৰিত্ৰটোক গভীৰ হাবিত প্ৰতিষ্ঠা কৰাৰ কথা ভাবিলো আৰু সেইমতেই আগুৱাই গ’লো। লাহে লাহে ফেণ্টম চৰিত্ৰটোৰ অন্যান্য দিশবোৰেও গতি কৰিবলৈ ধৰিলে। যেনে— মুঠতে একৈশটা প্ৰজন্মত বিভক্ত ফেণ্টম, লাওখোলা আকৃতিৰ গুহা, ফেণ্টমৰ বাহন বগা ঘোঁৰা ‘হিৰো’ আৰু তেওঁৰ সহচৰ ‘ডেভিল’ ইত্যাদিৰ লগতে বান্দৰ জাতি হিচাপে পৰিচিত পিগ্‌মি জাতি আদিৰ ধাৰণাবোৰ নিজে নিজেই মনলৈ আহিবলৈ ধৰিলে।’ লক্ষণীয়ভাৱে লি ফেক আছিল ‘জাংগল বুক’ৰ স্ৰষ্টা ৰুডয়াৰ্ড কিপলিং আৰু টাৰজানৰ স্ৰষ্টা এডগাৰ ৰাইচ বুৰ’জৰ একান্ত ভক্ত আৰু তেওঁ নিজেই কোৱামতে ফেণ্টমৰ চৰিত্ৰ আৰু ইয়াৰ আৰণ্যক নিবাসকে ধৰি অন্যান্য ভালেমান দিশ গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁৰ সৃষ্টিত এই দুজন লেখকৰ সৃষ্টিয়ে প্ৰেৰণা যোগাইছিল।

ফেণ্টম সচিত্ৰ কাহিনীমালাৰ এই কমিকছসমূহ ভাৰতত প্ৰকাশ কৰিছিল ইন্দ্ৰজাল কমিকছে। ইতিপূৰ্বে দৈনিক কাকতত ছোৱাকৈ প্ৰকাশ পোৱাৰ পৰা আলোচনী আৰু অন্যান্য মাধ্যম গৰকি ফেণ্টম কমিকছ তেতিয়ালৈ এক স্বতন্ত্ৰ সচিত্ৰ কাহিনী। ইন্দ্ৰজাল কমিকছে পোনতে ভাৰতত ফেণ্টম কাহিনীমালা প্ৰকাশ কৰে ১৯৬৪ চনৰ মাৰ্চ মাহত। এই কমিকছসমূহৰ প্ৰথম দহোটা মাহেকীয়া সংখ্যাত পৃষ্ঠাৰ পৰিমাণ আছিল ১৬ পৃষ্ঠা। ফলত এই পৰিসৰত প্ৰকাশ পোৱাৰ বাবে মূল কাহিনীসমূহ সম্পাদনা কৰি চুটি কৰিবলগীয়া হৈছিল। পিচে পৰৱৰ্তী ঊনৈশটা সংখ্যাত এই কমিকছসমূহৰ পৃষ্ঠা ২০ ৰ পৰা ২৪ পৃষ্ঠালৈকে বৃদ্ধি কৰা হয়। ইফালে ফেণ্টম সচিত্ৰ কাহিনীমালাৰ সমান্তৰালভাৱে ইন্দ্ৰজাল কমিকছে ভাৰতত ফ্লেশ্ব গৰ্ডন, মেনড্ৰেক, বাহাদুৰ, কেৰী ড্ৰেক, ৰিপ কিৰ্বি, গাৰ্থ, মাইক নমাড আৰু বাজ ছয়াৰ আদিৰ কাহিনীও প্ৰকাশ কৰিবলৈ লয়, যিসমূহ বিশেষকৈ কুৰি শতিকাৰ সত্তৰ আৰু আশীৰ দশকত বাৰুকৈয়ে জনপ্ৰিয় হৈছিল। তেনেদৰেই একে সময়তে ৰবীন হুদ আৰু মিকি মাউছ আদিৰ কাহিনীও কমিকছ আকাৰত প্ৰকাশ পাইছিল। বিপৰীতে ইন্দ্ৰজাল কমিকছৰ ‘ফেণ্টম’ সচিত্ৰ কাহিনীমালাৰ জনপ্ৰিয়তা ইমানেই বৃদ্ধি পাইছিল যে অনেকেই ‘ইন্দ্ৰজাল কমিকছ’ৰ পৰিবৰ্তে এইসমূহ প্ৰকাশনাক ‘ফেণ্টম’ ছিৰিজ বুলিহে জানিছিল। ইতিমধ্যে এই প্ৰকাশনাসমূহ পষেকীয়া হোৱাৰ পাচত ১৯৮১ চনত প্ৰতি সপ্তাহত প্ৰকাশ পাবলৈ ধৰিছিল। সেই সময়ত উদাহৰণস্বৰূপে ইন্দ্ৰজাল কমিকছৰ সংখ্যাসমূহ প্ৰকাশ পাইছিল— খণ্ড ২০, সংখ্যা ১ আকাৰত। ইয়াৰ বেটুপাতৰ ডিজাইন ক্ৰমাৎ সলনি কৰি বেটুপাতৰ ওপৰত স্পষ্ট আখৰেৰে ‘ইন্দ্ৰজাল কমিকছ’ বুলি উল্লেখ কৰাৰ লগতে সৰু গোলাকাৰ আকৃতিত মূল চৰিত্ৰৰ (ফেণ্টম, মেনড্ৰেক আদি) ছবি প্ৰকাশ কৰা হৈছিল। এই সময়ছোৱাত ঔদ্যোগিক ধৰ্মঘটৰ বাবে ১২৩ আৰু ১২৪ নং সংখ্যা প্ৰকাশ পোৱা নাছিল যদিও এই দুটা সংখ্যাৰ বাদে ইন্দ্ৰজাল কমিকছৰ মুঠতে ৮০৩ টা সংখ্যা প্ৰকাশ পাইছিল আৰু ইয়াৰে অৰ্ধেকৰো অধিক আছিল ‘ফেণ্টম’ কাহিনীমালাৰ সংখ্যা। পিচে টেলিভিছনকে ধৰি অন্যান্য মাধ্যমৰ জনপ্ৰিয়তা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ১৯৯০ চনত ইয়াৰ প্ৰকাশনা বন্ধ কৰা হয়। ইতিপূৰ্বে ইন্দ্ৰজাল কমিকছে প্ৰকাশ কৰা ফেণ্টম সচিত্ৰ কাহিনীমালাৰ প্ৰকাশনাসমূহৰ ভিতৰত ‘দ্য ফেণ্টম ৱেডছ (ফেণ্টমৰ বিয়া, ১৯৭৯), ‘অৰ্ডিয়েল এট ছী’ (সাগৰত দুৰ্গতি), দ্য জাংগল গেং (ফেণ্টম), ‘দ্য মিষ্টিৰিয়াছ বেংক ৰবাৰি’ (ফেণ্টম) আদি অন্যতম। ইতিপূৰ্বে ‘এমাজন ইণ্ডিয়া আৰু অষ্ট্ৰেলিয়া’ৰ ফ্ৰিউ পাব্লিকেচন আদি সংস্থায়ো ফেণ্টম কমিকছ প্ৰকাশ কৰিছিল আৰু কোৱা বাহুল্য যে বিশ্বৰ বিভিন্ন ভাষাৰ লগতে হিন্দী আৰু বাংলা ভাষাকে ধৰি অন্যান্য ভালেমান ভাৰতীয় ভাষাতো ‘ফেণ্টম’ৰ সচিত্ৰ কাহিনী প্ৰকাশ পাইছিল।









> **একোটা গুপ্ত জীৱনৰ অধিকাৰী অতিমানৱৰ কাহিনীৰে উদ্বুদ্ধ হৈও স্ৰষ্টা লি ফকে পোনতে ফেণ্টমক এজন ডিটেক্টিভ হিচাপেহে গঢ়ি তুলিবলৈ বিচাৰিছিল যদিও পাচলৈ মত সলায়।**

যোৱা বছৰৰ পোন্ধৰ নৱেম্বৰত ছুইডেনৰ গুটেনবাৰ্গ গ্ৰন্থমেলাত ফেণ্টম কমিকছৰ ৮০ সংখ্যক বৰ্ষপূৰ্তি পালন কৰা হয়। তথ্যমতে এই গ্ৰন্থমেলাখনত দৰ্শনাৰ্থীৰ সংখ্যাই প্ৰতি বছৰে এক লাখৰ সংখ্যা অতিক্ৰম কৰে আৰু যোৱা বছৰো ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল।

অৱশ্যে ‘ফেণ্টম’ৰ কাহিনীক লৈ বিভিন্ন বিভ্ৰান্তিৰো সৃষ্টি নোহোৱা নহয়। ইতিমধ্যে টেলিভিছন, এনিমেচন আদিৰ প্ৰকোপত জনপ্ৰিয়তা হেৰুওৱা ‘ফেণ্টম’ কমিকছৰ কাহিনীৰ সময়ৰ অনুক্ৰমৰ ক্ষেত্ৰত ভালেমান বিভ্ৰান্তি দেখা যায়। যেনে ১৯৩৬ চনতে ভৰ যুৱক ২১ সংখ্যক ফেণ্টম এতিয়াও এজন যুৱক, তেনেদৰেই ১৯৭৯ ত পত্নী ডায়েনাক বিবাহ কৰোৱা (দ্য ফেণ্টম ৱেডছ) ২১ সংখ্যক ফেণ্টম ‘কিট ৱাকাৰ’ৰ ল’ৰা-ছোৱালীহাল (কিট আৰু হেলইছ) এতিয়াও বয়সত কিশোৰ-কিশোৰীহে। এনে অনুক্ৰমসমূহে পাঠকক বিভ্ৰান্ত কৰে। কিন্তু পাঠকৰ হাতত এনে প্ৰশ্নৰ কোনো সমিধান নাই, কাৰণ ইয়াৰ উত্তৰ পাবলৈ পঢ়িব লাগিব এতিয়াও প্ৰকাশ পাই থকা সমগ্ৰ ফেণ্টম কমিকছসমূহ নাইবা কৰিব লাগিব সুকীয়া গৱেষণা। শেষত ক’ব পৰা যায় যে অষ্ট্ৰেলিয়া আৰু ভাৰতকে ধৰি বিভিন্ন ঠাইৰ বাতৰি কাকতত ‘ফেণ্টম’ৰ কাহিনী এতিয়াও প্ৰকাশ পাই আছে যদিও ১৯৯৯ চনত স্ৰষ্টা লি ফেকৰ মৃত্যুৰ পাচত কাহিনী আৰু চিত্ৰাংকণকে ধৰি এচাম অতি প্ৰতিভাশালী স্ৰষ্টাই এতিয়া ফেণ্টম কমিকছৰ কাহিনীসমূহ প্ৰস্তুত কৰে।

**গ্ৰন্থ বিচাৰ**

# জাতি-জনগোষ্ঠীৰ ঐক্য-সম্প্ৰীতিত অৰিহণা

**মিত্ৰদেৱ শৰ্মা**

পেছাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এগৰাকী জ্যেষ্ঠ অধিবক্তা হৈও সাহিত্য চৰ্চাৰ জৰিয়তে কেইবাখনো উত্তম গ্ৰন্থ ৰচনাৰে বিমল চন্দ্ৰ শইকীয়াই সামাজিক দায়বদ্ধতা সঠিক ৰূপত পালন কৰাৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰালো যে চহকী কৰিছে সি নিশ্চিত। গুৱাহাটী সাতগাঁৱৰ জাহ্নৱী প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ইতিবৃত্ত’ গ্ৰন্থখনৰ ৰচক বিমল চন্দ্ৰ শইকীয়াই গ্ৰন্থখনত অসমৰ ব্ৰাহ্মণ, কলিতা, কেওট, কায়স্থ, কোচ ৰাজবংশী, নাথ-যোগী, সূত, বড়ো-কছাৰী, সোণোৱাল কছাৰী, মটক, মৰাণ, শৰণীয়া-কছাৰী, ঠেঙাল-কছাৰী, ৰাভা, লালুং, মিকিৰ (কাৰ্বি), মিচিং, দেউৰী, চুতীয়া, আহোম, গৰিয়া-মৰিয়া, মুছলমান, চাহ জনগোষ্ঠী আৰু নেপালী জনগোষ্ঠীৰ লোকসকলৰ ইতিহাস, চৰিত্ৰ, সংস্কৃতি আদিৰ বিষয়ে তথ্যসহকাৰে ব্যাখ্যা আগবঢ়াইছে। ৩২০ পৃষ্ঠাৰ গ্ৰন্থখনত শইকীয়াই লগতে ‘খিলঞ্জীয়া শব্দৰ অৰ্থ’, ‘লাইন প্ৰথা আৰু ছাদুল্লাৰ ভূমি উন্নয়ন আঁচনি’, ‘অসমৰ ইতিবৃত্ত’, ‘ৰাজ্য পুনৰ গঠন’, ‘বৰ্তমান অসম’, ‘মহাকাব্য যুগ’, ‘মনুসংহিতা’, ‘ভাৰতবৰ্ষলৈ আৰ্যৰ আগমন’, ‘ভাৰতীয়সকল মিশ্ৰিত জাতি’, ‘অসমত আৰ্যসকলৰ বসতি বিস্তাৰ’, ‘বৰ্ণভেদৰ আদিকথা’ শীৰ্ষক বহুকেইটা তত্ত্বগধুৰ প্ৰবন্ধ সংযোজন কৰিছে।

> **খিলঞ্জীয়া কোন তাৰ অন্বেষণত নিবিড়ভাৱে সম্পৃক্ত হৈ শইকীয়াই নিৰ্মোহভাৱে সূক্ষ্ম গৱেষকৰ বিশ্লেষণী দৃষ্টিৰে ব্ৰাহ্মণ জাতিৰ পৰা চাহ জনগোষ্ঠীলৈকে অসমৰ পঁচিশটা জাতি-জনগোষ্ঠীৰ মূল সম্পৰ্কে ব্যাখ্যা কৰি অসমত খিলঞ্জীয়া কোন তাৰ উত্তৰ পাবলৈ আমাক সুবিধা কৰি দিছে।**




গ্ৰন্থখনৰ পাতনিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰাই গ্ৰন্থখনৰ উচ্চ প্ৰশংসা কৰি কয়— ‘অসমৰ ইতিবৃত্ত দাঙি ধৰি লেখকে পুৰণি বৃহৎ অসমখন ভাগ ভাগ হোৱাৰ আদ্যোপান্ত বিশ্বাসযোগ্যভাৱে বৰ্ণনা কৰিছে আৰু মহাকাব্যৰ যুগৰ পৰা এতিয়ালৈকে অসমলৈ বিভিন্ন জাতি-জনজাতিৰ প্ৰব্ৰজনৰ এখন কৌতূহলোদ্দীপক বিৱৰণ দিছে। এইক্ষেত্ৰত তেওঁ এগৰাকী সুনিপুণ নৃতত্ত্ববিদৰ ভূমিকা পালন কৰিছে। খিলঞ্জীয়া কোন তাৰ অন্বেষণত নিবিড়ভাৱে সম্পৃক্ত হৈ শইকীয়াদেৱে নিৰ্মোহভাৱে সূক্ষ্ম গৱেষকৰ বিশ্লেষণী দৃষ্টিৰে ব্ৰাহ্মণ জাতিৰ পৰা চাহ জনগোষ্ঠীলৈকে অসমৰ পঁচিশটা জাতি-জনগোষ্ঠীৰ মূল সম্পৰ্কে ব্যাখ্যা কৰি অসমত খিলঞ্জীয়া কোন তাৰ উত্তৰ পাবলৈ আমাক সুবিধা কৰি দিছে। এনে এখন গ্ৰন্থ নিজক জানি ল’বৰ বাবে অসমৰ প্ৰত্যেক নাগৰিকে পাঠ কৰা উচিত বুলি মই ভাবো।’ লগতে প্ৰখ্যাত সাংবাদিক অদীপ কুমাৰ ফুকনে গ্ৰন্থখনৰ আগকথাত গ্ৰন্থখনৰ জৰিয়তে বিমল চন্দ্ৰ শইকীয়াৰ প্ৰচেষ্টাক ‘অসমৰ সমাজ জীৱনক পৰিচিত কৰাৰ অন্য এক সবল যাত্ৰা’ বুলি অভিহিত কৰিছে। পৰিশেষত অসমৰ সমাজ জীৱনৰ বাবে বিমল চন্দ্ৰ শইকীয়াৰ ‘অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ইতিবৃত্ত’ এক তথ্যসমৃদ্ধ দলিলস্বৰূপে নিশ্চয় স্বীকৃতি পাব আৰু এই গ্ৰন্থই অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ঐক্য আৰু সম্প্ৰীতিত প্ৰভূত অৰিহণা যোগাব বুলি আশা কৰি গ্ৰন্থখন পাঠক সমাজে আদৰি ল’ব বুলি আশা কৰিলো। তথ্যসমৃদ্ধ গ্ৰন্থখনৰ মূল্য নিৰ্ধাৰণ কৰা হৈছে ২৫০ টকা।

*দূৰভাষ ঃ ৯৭০৬২৩৬৮০২*

**বিপণীত নতুন গ্ৰন্থ**




## অসমীয়া চলচ্চিত্ৰৰ আঠ দশকৰ পৰিক্ৰমা

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘জয়মতী’ৰে আৰম্ভ হোৱা অসমীয়া চলচ্চিত্ৰৰ পৰিক্ৰমাত পঁইসত্তৰ বছৰ সম্পূৰ্ণ হ’ল। এই বিষয়ে বিভিন্নজনে বিভিন্ন সময়ত বহু লেখাই প্ৰকাশ পোৱাৰ বাতৰি আমি সংবাদ মাধ্যমত পাইছো। কিন্তু সেয়া কেৱল অসমীয়া ভাষাতে সীমাবদ্ধ। অসমীয়া চলচ্চিত্ৰৰ ইতিহাস ৰাজ্যৰ বাহিৰৰ লোকে পাবলৈ হ’লে চিনাকি কিছুসংখ্যক ব্যক্তিৰ সহায় লোৱাৰ গত্যন্তৰ নাই। বোধকৰো এই কাৰণতে অসমীয়া চলচ্চিত্ৰৰ বিষয়ে অসমৰ বাহিৰৰ ৰাজ্যৰ আনহে নালাগে পশ্চিমবংগৰ লোকেও বৰ বিশেষ জানিবলৈ পোৱা নাই। যি সামান্য অসমীয়া চলচ্চিত্ৰৰ বিষয়ে তেওঁলোকে জ্ঞান আহৰণ কৰিছে সেয়াও তেওঁলোকৰ পৰিচিত কোনো কোনোজনৰ মাধ্যমেৰেহে সম্ভৱ হৈছে। অৱশ্যে শেহতীয়াভাৱে প্ৰকাশ কৰি উলিওৱা হৈছে ‘এইড্‌ছ ডিকেছ ইনফ্ৰেন্স’ শীৰ্ষক এখনি গ্ৰন্থ। গ্ৰন্থখন গুৱাহাটী চিনে ক্লাবৰ সৌজন্যত সম্পাদনা কৰি উলিয়াইছে বাদল চক্ৰৱৰ্তীয়ে। গুৱাহাটীস্থিত আমন উদ্যোগ প্ৰাইভেট লিমিটেডে প্ৰকাশ কৰি উলিওৱা গ্ৰন্থখনৰ মূল্য ৬৪৯ টকা।




# শব্দৰে মুখৰিত নৈসৰ্গ

**ধ্ৰুৱজ্যোতি সাহা**

*‘এটা টুনি আহে। দুটা টুনি আহে।*
*এটা ধান নিয়ে। দুটা ধান নিয়ে। ধানৰ দ’মত*
*তেজপিয়াৰ ৰণচালি।’*

হেম বৰুৱাৰ ‘জাৰৰ দিনৰ সপোন’ত টুনি চৰাই অহাদিয়েই এজন-দুজনকৈ গোট খাইছে মানুহবোৰ। প্ৰত্যেকৰে হাতত হয় এটুকুৰা সৰু কাগজ, নহ’লে এখন বহী। কি আছে বাৰু সেইবোৰত? হয় আপুনি ঠিকেই ভাবিছে একোটাকৈ কবিতা লৈ আহিছে এইসকলে।

১২ মে’। ব’হাগ মাহৰ এটা আবেলি। ব্যস্ত বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা। ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈ পৰ্যটকৰ আহ-যাহ কঁহৰা চাৰিআলিত। ৰাজপথৰ দাঁতিত কবিতা পাঠৰ উদ্দেশ্যে কবিসকলে প্ৰস্তুতি আৰম্ভ কৰিছে। যান্ত্ৰিক কৰ্কশতাৰ মাজতে তেওঁলোকে অনুভৱ কৰিছে নীৰৱতা। শইকীয়াৰ সঞ্চালনাত আৰম্ভ হৈছে ‘কবিতাৰ আবেলি’। প্ৰতিগৰাকী কবিয়েই একাত্ম হৈ পৰিছে অনুষ্ঠানটোৰ স’তে।

কবি তৰুণ ৰাজখোৱাৰ ‘শেষ ব’হাগৰ ভাবনা’ পাঠ। খুব সাৱলীলভাৱে প্ৰকৃতি আৰু মানুহৰ বাস্তৱ ছবি প্ৰস্ফুটিত হৈছে ৰাজখোৱাৰ কবিতাত। অমৰ শৰ্মা, ডালিমী নাথ, অৰ্চনা ভট্টাচাৰ্য ফুকন, দীপিকা শইকীয়া, ঊষা জোন ফুকন হাজৰিকা, বুবুল দত্ত, উৎপল নাৰায়ণ গোস্বামী আদিকে ধৰি কেইবাগৰাকী কবিয়ে কবিতা পাঠ কৰে। আহ্বায়কৰ দায়িত্ব লোৱা কবি পলিমা চেতিয়া বসুমতাৰীয়ে কাল্পনিক চিন্তা এটাৰ খুব সুন্দৰ বাস্তৱ দৃষ্টিভংগীৰ মাজেৰে নিজ কবিতা পাঠৰ যোগেদি উপস্থাপন কৰে। উঠিঅহা প্ৰজন্মৰ তৰুণসকলৰ ভিতৰত প্ৰাঞ্জল ৰাজখোৱা, ঈপ্সিতা দত্ত, তৰুণ তীৰ্থ শইকীয়া, নিয়ৰ নিবিড় আদিকে ধৰি কেইবাজনেও নিজৰ কোমল সৃষ্টিৰ বহিঃপ্ৰকাশ ঘটায়। বিশ্বায়নৰ আগ্ৰাসনত ধ্বংস হ’বলৈ ধৰা যুৱ মানসিকতাৰ এই কঠোৰ সময়ত ৰাম গগৈৰ ‘কোটি কোটি মাতৃৰ গৰ্ভত থকা কেঁচুৱাবোৰে/ তোমাক চিঞৰি কয়/ নতুন যুগৰ বাণী’ৰ দৰেই নৱ প্ৰজন্মৰ এই কবিতা পাঠে এক নতুন ইতিবাচক ভৱিষ্যতৰ বাট মুকলি কৰে। কবি ৰূপজ্যোতি শইকীয়া গগৈয়ে কবিতা পাঠ কৰাৰ লগতে ভাতৃ দিব্যজ্যোতি শইকীয়াৰ লগ হৈ যুটীয়াভাৱে কবি ভূপেন চক্ৰৱৰ্তীৰ ‘মানুহ’ নামৰ কবিতাটি আবৃত্তি কৰে। একবিংশ শতিকাৰ দ্ৰুত উন্নয়নৰ সময়তো গোলাঘাট জিলাৰ মেৰাপানী গাঁওখনত বহিঃজগতৰ সংবাদ ল’বলৈ ৰেডিঅ’ই যে একমাত্ৰ সাৰথি, সেই বিষয়টোৰ ওপৰত ৰচা ‘ৰেডিঅ’’ নামৰ কবিতাটো এই লেখকৰ দ্বাৰাই অনুষ্ঠানত পাঠ কৰা হয়।

বন্দনা দত্তৰ লগতে সাংবাদিকতাৰ কণ্টকময় যাত্ৰাৰ ওপৰত এক ৰসাল অনুভৱ অনুষ্ঠানটোত আগবঢ়ায় সাংবাদিক স্বপন নাথে। সাংবাদিকতাৰ ব্যস্ততাৰ মাজতো সাংবাদিক ৰঞ্জিত ৰজকে অনুষ্ঠানত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ ‘জোনাকী পৰুৱাৰ পোহৰে পোহৰে/ প্ৰতিভা বৰুৱাই অকলে আগুৱায়’ গীতটি পৰিৱেশন কৰে। কবিতাৰে জীপাল হৈ থকা পৰিৱেশটোত সাংবাদিক ৰজকৰ গীতে অধিক মায়াময় কৰি তোলে অনুষ্ঠানটি। ক্ৰমাৎ আন্ধাৰ নামি আহে ধৰাৰ বুকুলৈ। ঢিমিক-ঢামাককৈ জ্বলি উঠে তৰাবোৰ, কঁহৰা চাৰিআলিৰ শ্ৰোতা-দৰ্শকৰ শাৰীত থকা দোকানৰ লাইটবোৰ। মুকলি আকাশৰ তলৰ নিৰিবিলি আবেলিটো নীৰৱ হৈ পৰে। ব্যস্ততাপূৰ্ণ কাজিৰঙাৰ এই আবেলিটোৱে সমাজখনক পৰৱৰ্তী সময়তো যে চিন্তা কৰিবৰ হেতু এক নতুন বাট মুকলি কৰিব সেয়া ধুৰুপ।



*দূৰভাষ ঃ ৮৯৩৩৮-৪১৯৩৬*